**2 0 1 6**

# ASSAMESE

( Elective )

Paper : 5.1

**( Asamiya Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ *বা* বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) লুইপাদৰ ১নং চৰ্যাটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে?

(খ) ‘নন্দোৎসৱ’ কবিতাটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(গ) ‘চিত্ৰলেখাৰ পট নিৰ্মাণ’ কবিতাটিৰ কবি কোন?

(ঘ) ৰাম সৰস্বতীক অসমীয়া সাহিত্যৰ কোন যুগৰ কবি বুলি কোৱা হয়?

(ঙ) ‘ৰংপুৰ নগৰৰ বৰ্ণনা’ নামৰ কবিতাটিৰ আধাৰ গ্ৰন্থ কি?

(চ) ‘মনাই ৰৰাগী’ নামৰ কবিতা-সংগ্ৰহৰাজিত কোনগৰাকী কবিৰ কবিতা পোৱা যায়?

(ছ) কোনখন কাব্যগ্ৰন্থৰ বাবে নলিনীবালা দেৱী সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(জ) কোনগৰাকী অসমীয়া কবিৰ কবিতাত মহাযুদ্ধৰ পূৰ্বৰ ৰোমান্টিক সুৰ আৰু যুদ্ধোত্তৰ যুগৰ নতুনৰ সুৰ শুনিবলৈ পোৱা যায় ?

(ঝ) নৰকান্ত বৰুৱাৰ প্ৰথম প্ৰকাশিত কবিতাপুথিখনৰ নাম কি ?

(ঞ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'বন ফৰিঙৰ ৰং' কাব্যগ্ৰন্থখনি কোন চনত প্ৰকাশ পাইছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'চৰ্যাপদ'ৰ ভাষাক কিয় সান্ধ্য ভাষা বুলি কোৱা হয় ?

(খ) শ্ৰীকৃষ্ণৰ জন্মৰ বতৰা পাই গোপগণে কেনেদৰে আনন্দ প্ৰকাশ কৰিছিল, নন্দোৎসৱ কবিতাৰ আলমত চমুকৈ উল্লেখ কৰা।

(গ) "শৃগালক ত্যাগ কৰি ৰাখিয়ো শাৰ্দুল।
দুৰ্যোধনক এৰিয়া ৰাখিয়ো সৱে কুল॥"

ইয়াত 'শৃগাল' আৰু 'শাৰ্দুল' শব্দ দুটি কি অৰ্থত ব্যৱহাৰ হৈছে ?

(ঘ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতাটিত কবিৰ যাত্ৰা-পথৰ সঙ্গী কোন কোন হ'ব বিচাৰিছে ?

(ঙ) 'দ্ৰৌপদী' কবিতাটিত নাৰী কি কি সৌন্দৰ্যৰ অক্লান্ত পিয়াসী বুলি কৈছে ?





৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) "হৰিৰ নিবাসে দশগুণে গৈল জলি।
সাক্ষাতে লক্ষ্মীৰ সিটো ভৈল ক্ৰীড়াস্থলী॥"

কবিতাংশ ক'ৰ পৰা লোৱা হৈছে ? কি প্ৰসঙ্গত কথাখিনি অৱতাৰণা কৰা হৈছে, বুজাই লিখা।

(খ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটিৰ আধাৰত চিত্ৰলেখাৰ পট নিৰ্মাণৰ এটি বিৱৰণ দিয়া।

(গ) 'কেতেকী' কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত লিখা।

(ঘ) "যৌৱনৰ বিয়লি বেলিকা
বাটৰ কাষত বহি খন্তেক মাথোন
দেখিছো সপোন আজি দীঘল বাটৰ,
অন্তহীন বিফল বাটৰ।"

কবিতাফাঁকিৰ কবি কোন ? ইয়াৰ জৰিয়তে কবিয়ে কি বুজাব বিচাৰিছে, বুজাই লিখা।

(ঙ) নৰকান্ত বৰুৱাৰ ৰচিত 'পলস' কবিতাটিৰ অন্তৰ্নিহিত ভাব মুকলি কৰা।

(চ) ৰোমান্টিক কবিতা বুলিলে কি বুজা ? এই শ্ৰেণীৰ কবিতাৰ চাৰিটা বৈশিষ্ট্য অসমীয়া কবিতাৰ উদ্ধৃতিসহ আলোচনা কৰা।

৪। তলৰ প্ৰশ্ন **চাৰিটাৰ** উত্তৰ কৰা : ১০×৪=৪০

(ক) চৰ্যাগীত বুলিলে কি বুজা ? লুইপাদৰ ১নং চৰ্যাগীতটিৰ তাৎপৰ্য বিচাৰ কৰা।

*অথবা*

শ্ৰীধৰ কন্দলিৰ ‘কাণখোৱা’ কবিতাটিত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আৰু মানৱীয় ৰূপ কেনেদৰে প্ৰকাশিত হৈছে, উদাহৰণসহ বহলাই আলোচনা কৰা।

(খ) ‘ধৃতৰাষ্ট্ৰ-বিদূৰ সংবাদ’ কবিতাটিত ধৃতৰাষ্ট্ৰ আৰু বিদূৰৰ পঞ্চ-পাণ্ডব সম্পৰ্কে কেনে মনোভাৱ ফুটি উঠিছে, আলোচনা কৰা।

*অথবা*

‘ৰংপুৰ নগৰৰ বৰ্ণনা’ শীৰ্ষক কবিতাটিত বৰ্ণিত কথাখিনি তোমাৰ নিজৰ ভাষাত বুজাই লিখা।

(গ) যতীন্দ্ৰনাথ দুৱৰাৰ ‘সোণোৱালী দেশ’ কবিতাটি কিদৰে করুণ ৰসসিক্ত হৈ পৰিছে, আলোচনা কৰা।

*অথবা*

“ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদৰ প্ৰকৃষ্ট প্ৰকাশ ঘটিছে নলিনীবালা দেৱীৰ কবিতাসমুচ্চয়ত।” উক্ত কথাষাৰ ‘পৰম তৃষ্ণা’ কবিতাৰ আলমত বিচাৰ কৰা।

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ ‘দ্ৰৌপদী’ কবিতাটিত নাৰী মনৰ কথা কেনেদৰে ফুটি উঠিছে, বুজাই লিখা।

*অথবা*

সাম্প্ৰতিক কবিতাত ব্যৱহৃত ছন্দ, প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★